
...ক্ষ্যা যে নগাঁৰৰ ৰাইদঙীয়া মে'ত সমাজৰ নিয়ম অনুসৰি স্বামীৰ মৃত্যু হোৱা বুলি মানি ...আদিপ্ৰাদ্ধিস্থলীত নগাঁও জিলা জাতীয় স্বহীদ পৰিয়ালৰ কৰ্মকৰ্তা-সকল উপস্থিত থাকি পোনা বৰালে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# গোৱালপাৰা মহাবিদ্যালয়ত প্ৰতিষ্ঠানীয় উদ্ভাৱন পৰিষদৰ বক্তৃতানুষ্ঠান




<u>নিজা বাতৰি দিওঁতা</u>

**গোৱালপাৰা, ১৬ মে'** ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১৫ মে'ত মহাবিদ্যালয়ৰ 'প্ৰতিষ্ঠান উদ্ভাৱন পৰিষদ'-এ আয়োজন কৰা এলানি প্ৰভাৱী বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ১৫ মে'ত অনুষ্ঠিত দুখন অধিৱেশনৰ উদ্দেশ্য আছিল অংগ্ৰহণকাৰী-সকলৰ মাজত বৌদ্ধিক সম্পত্তিৰ অধিকাৰ সম্পৰ্কে জ্ঞান দি উদ্ভাৱন, সৃজনশীলতা আৰু সজাগতা বৃদ্ধি কৰা। অনুষ্ঠানটোত গোৱালপাৰা মহাবিদ্যালয়ৰ তিনিওটা শাখাক প্ৰতিনিধিত্ব কৰি ১১৫ গৰাকী শিক্ষাৰ্থীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ আঞ্জাম হুছেইন বৰভূঞাই আয়োজন কৰা আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা কবিতা বসুমতাৰীয়ে আঁতধৰা এই কাৰ্যসূচী মুকলি কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে। উদ্ভাৱন আৰু বৌদ্ধিক সম্পত্তিৰ অধিকাৰৰ ক্ষেত্ৰত তেওঁলোকৰ অমূল অৱদানৰ বাবে ডঃ উদ্ধৱ কুমাৰ ভৰালী আৰু দীপামণি বৈশ্য দুয়োকে ক্ৰমে গণিত বিভাগৰ সহকাৰী অধ্যাপক ডঃ বিনন্দিতা বৰ্মন আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক মাৰ্মি থাওছেনে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানটোৰ প্ৰথম অধিৱেশনত বিশিষ্ট অতিথি হিচাপে পদ্মশ্ৰী ডঃ উদ্ধৱ কুমাৰ ভৰালীয়ে তেওঁৰ বিভিন্ন উদ্ভাৱনৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়ায়। তেওঁ লগতে বিভিন্নধৰণে সক্ষম ব্যক্তিসকলৰ সুবিধাৰ বাবে নিৰ্মিত তেওঁৰ বিভিন্ন আৱিষ্কাৰৰ বিষয়েও আলোচনা কৰে। লগতে জীৱনৰ পৰিৱৰ্তনৰ বাবে কৰা উদ্ভাৱনৰ সবিশেষ প্ৰদৰ্শন কৰে। দ্বিতীয় অধিৱেশনত গুৱাহাটীৰ এ এছ টি ই চিৰ পেটেণ্ট তথ্য কেন্দ্ৰৰ প্ৰকল্প বিজ্ঞানী দীপামণি বৈশ্যই ইন্‌কিউবেচন আৰু ষ্টাৰ্টআপৰ উদ্যোগত বৌদ্ধিক সম্পত্তি অধিকাৰৰ ভূমিকাৰ এক বিস্তৃত আলোচনা দাঙি ধৰে। তেওঁ বৌদ্ধিক সম্পত্তি সুৰক্ষাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ভৌগোলিক সূচক পঞ্জীয়নৰ সবিশেষ প্ৰক্ৰিয়াও ব্যাখ্যা কৰে।